## অৰবিন্দৰ ক্ৰমবিকাশবাদ

শ্ৰীঅৰবিন্দৰ জন্ম হয় ১৮৭২ চনৰ পোন্ধৰ আগষ্টত কলিকতাৰ কোন্নগৰ নামৰ এটি আভিজাত্য বাঙালী পৰিয়াল। ভাৰতীয় আৰু পাশ্চাত্য বঙালী পৰিয়ালত। ভাৰতীয় আৰু পাশ্চাত্য শিক্ষাৰে শিক্ষিত অৰবিন্দই ভালেমান বিদেশী ভাষা আয়ত্ত কৰিছিল। তেওঁ ৰহস্যবাদী দৃষ্টিভংগী আৰু প্ৰজ্ঞাত্মক উপলব্ধিৰে বিশ্বজগতৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আগবঢ়োৱা দাৰ্শনিক আলোচনাই ভাৰতীয় দাৰ্শনিক জগতত এক আধ্যাত্মিক বিপ্লৱৰ সূচনা কৰিছে। তেওঁৰ ক্ৰমবিকাশবাদ কাৰ্যকাৰণ সম্পৰ্কীয় মতবাদৰ ব্ৰহ্মপৰিণামবাদী। ব্ৰহ্মাই বিশ্বজগতৰ সকলো বস্তুৰ উৎস আৰু পৰিণাম। বিশ্ববৃক্ষৰ শিপা জড়ত নিহিত নাথাকে, সত্তাতহে থাকে। সেয়েহে মূল বিবৰ্তন সত্তাৰ পৰাহে আৰম্ভ হয়। দেশ, কাল বা জড়ৰ পৰা নহয়।

অৰবিন্দৰ দৰ্শনৰ মূল নীতিটো হৈছে সমন্বয়মূলক। তেওঁ জড়বাদ আৰু অধ্যাত্মবাদক নিজৰ দৃষ্টিভংগীৰে সমন্বয় কৰি জগতৰ ব্যাখ্যা আগবঢ়াইছে। সাধাৰণতে জড়বাদ আৰু অধ্যাত্মবাদ দুটা বিপৰীত মতবাদ ৰূপে পৰিগণিত হয়। জড়বাদে আধ্যাত্মিক দিশটোক অস্বীকাৰ কৰি জগতৰ এটা সহজ ব্যাখ্যা

দিয়ে। কিন্তু পৰিশেষত ই আত্মবিৰোধযুক্ত আৰু অসন্তোষজনক হৈ পৰে। ঠিকসেইদৰে অধ্যাত্মবাদে জগতৰ জড় বস্তুৰ দিশটোক আওকান কৰি ব্যাখ্যা আগবঢ়াইছে। এই ব্যাখ্যা একপক্ষীয় আৰু আংশিক। অৰবিন্দৰমতে এই দুই পৰস্পৰ বিৰোধী মতবাদক একত্ৰিত আৰু সমন্বিত কৰিলেহে জগতৰ ব্যাখ্যা সম্পূৰ্ণ হব। তেওঁৰ মতে জড় আৰু সত্ত্বা একেটা বস্তুৰে দুটা দিশ। জড় সত্ত্বালৈ আৰোহন কৰে আৰু সত্ত্বা জড়লৈ অবৰোহন কৰে। জড়ক সম্পূৰ্ণৰূপে মিথ্যা বুলিব নোৱাৰি। ইয়াৰ সত্ত্বা স্বীকাৰ কৰি লৈ আধ্যাত্মিক পৰ্যায়লৈ উন্নীত কৰি ইয়াৰ মৰ্যাদা ৰক্ষা কৰিব লাগিব। বেদান্তৰ ব্ৰহ্মসত্ত্বাৰ আধ্যাত্মিক দিশটোক স্বীকাৰ কৰিও অৰবিন্দই জড় সত্ত্বাক ইয়াৰ অন্তৰ্ভুক্ত কৰিছিল।

অৰবিন্দৰ মতে মহাজাগতিক চেতনাত জড় আৰু সত্ত্বাৰ মিলন ঘটে। ইয়াত জড় সত্ত্বা হৈ পৰে আৰু সত্ত্বা জড় হৈ পৰে। কিন্তু উভয়কে অতিক্ৰমী এক অতীন্দ্ৰিয় চেতনাৰ সৃষ্টি হয়। এই চেতনা আমাৰ বাবে পৰম আচৰ্য জনক আৰু দুৰ্বোধ্য। কিন্তু এই চেতনা অনবৰতে আমাৰ মনত জাগ্ৰত হয় আৰু নিবৃত্তও হয়। কোনো কোনোৱে প্ৰশ্ন কৰে যে এই দুৰ্বোধ্য অনিৰ্বচনীয় চেতনাৰ উপলব্ধি যাদুকৰৰ যাদুবিদ্যাৰ দৰে ভ্ৰান্ত নেকি? অৰবিন্দই কৈছে যে এই চেতনা মানৱৰ বাবে বাস্তৱ। চেতনাৰ তীব্ৰ উপলব্ধি পযায়ত যেতিয়া আমি সৰ্বশক্তিমান পৰম সত্ত্বাক অনুভৱ কৰো সেই মুহূৰ্ততো ই অজ্ঞেয়। এয়াই ব্ৰহ্ম।

সত্ত্বা মূলতঃ এক; কিন্তু সৃষ্টিত ঐক্য আৰু বহুত্ব এই দুই মূল নীতি নিহিত তাকে। সত্ত্বাৰ মূল ঐক্যৰ প্ৰকাশ বা অভিব্যক্তিয়েই হ'ল সৃষ্টি। এই অভিব্যক্তি বিভিন্ন ৰূপত বিভিন্ন ভাৱে ঘটে। সৃষ্টিৰ দৃষ্টিভংগীৰে চালে সত্ত্বাৰ অভিব্যক্তিত স্তৰ বা পৰ্যায় থকা অনুভৱ হয়। এই সত্ত্বাৰ নীতি আঠোটা বুলি অৰবিন্দই কৈছে - — (১) অস্তিত্ব, (২) চেতনাশক্তি, (৩) আনন্দ, (৪) অতিমানস, (৫) মানস, (৬) চিত্ত, (৭) জীৱন আৰু (৮) জড়। ইয়াৰে প্ৰথম চাৰিটা সত্ত্বাৰ উচ্চভাগৰ আৰু শেষৰ চাৰিটা সত্ত্বাৰ নিম্নভাগৰ অন্তৰ্ভুক্ত। কিন্তু দুয়োটা ভাগ বিৰোধী নহয়। এই দুই খণ্ড সত্ত্বাত এনে এটি বিন্দুত সংযোগ হয় য'ত মানস আৰু অতিমানসে এখনআৱৰনেৰে মিলিত হয়।

শ্ৰীঅৰবিন্দই সত্ত্বাক সচ্ছিদানন্দ ৰূপে অভিহিত কৰিছে। সচ্ছিদানন্দ ত্ৰয়াত্মক নীতি — অস্তিত্ব, চেতনা—শক্তি আৰু আনন্দত নিহিত থাকে। সত্ত্বাৰ শ্ৰেষ্ঠতম অনুভূতিয়ে প্ৰকাশ

কৰে যে সত্ত্বা কেৱল চেতন অস্তিত্বই নহয়, ই পৰম বুদ্ধিময় শক্তি আৰু স্বস্থিত আনন্দ। সৃষ্টি আৰু অভিব্যক্তি দুটা ঐশ্বৰিক প্ৰক্ৰিয়া। সৃষ্টিৰ অৰ্থ হ'ল জড় বা বস্তুত ঈশ্বৰৰ অৱৰোহন। চেতনা বা সত্ত্বাৰ উচ্চতৰ, আধ্যাত্মিক আৰু অতি মানস স্তৰ সমূহৰ প্ৰকাশেই হ'ল ক্ৰমবিকাশ। প্ৰথমতে সত্ত্বা জড়ত নিহিত থাকে আৰু জড়ৰ ৰূপ ধাৰণ কৰে। তেতিয়া চৈতন্য অব্যক্ত অৱস্থাত থাকে। সত্ত্বা আৰু জড়ৰ মাজত দৰাচলতে কোনো মূলগত পাৰ্থক্য নাই। সত্ত্বা আৰু জড়ৰ মাজৰ মধ্যবৰ্তী বস্তুবোৰ --- জীৱন, মন, আত্মা, উচ্চতৰ চৈতন্য, অলৌকিক চৈতন্য, অন্তঃপ্ৰজ্ঞা, অতিমানস চৈতন্য ক্ৰমাগতভাৱে উদ্ভৱ হয়।

শ্ৰীঅৰবিন্দৰ ক্ৰমবিকাশৰ ক্ৰমৰ তালিকাখন এনেধৰণৰ---

| ↓ (বাওঁফালে) | | ↑ (সোঁফালে) |
|---|---|---|
| অস্তিত্ব | —— | জড় |
| চৈতন্য শক্তি | —— | জীৱন |
| আনন্দ | —— | স্তি বা মন বা মানস |
| অতিমানস | —— | মানস। |

বিশ্বত প্ৰথমতে কেৱল জড় পদাৰ্থহে সৃষ্টি হয়। অগ্নি, সূৰ্য, মাটি, পানী আদিৰে জগত গঠিত হয়। দ্বিতীয়তে, উদ্ভিদৰ সৃষ্টি হয়। তৃতীয়তে, মন বা চেতনাৰ সৃষ্টি হয় আৰু মানৱত ই প্ৰকাশিত হয়। ক্ৰমবিকাশৰ গতিত মানৱে নৈতিকতাৰ জ্ঞান লাভ কৰে। কিন্তু ইয়াৰ দ্বাৰা প্ৰকৃত সত্ত্বাক জানিবলৈ অক্ষম। মানস পৰ্যায়ত বৈজ্ঞানিক আৱিস্কাৰ, মতবাদ, বৌদ্ধিক আৱিস্কাৰ, সভ্যতা আদিৰ সৃষ্টি হয়। কিন্তু এতিয়ালৈকে চেতনাৰ উচ্চতৰ পৰ্যায় সুপ্ত হৈয়ে থাকে। একমাত্ৰ যোগী সকলেহে ধ্যানস্থ অৱস্থাত উচ্চতৰ চৈতন্য উপলব্ধি কৰে। এই চেতনা হঠাতে আৱিৰ্ভাৱ হয় আৰু নিমিষতে অন্তৰ্ধানো হয়। অৰবিন্দই বিশ্বাস কৰে যে এনে উচ্চ চৈতন্য মানৱৰ মাজত এদিন প্ৰকাশ পাব।

ব্যক্তিৰ পৰা অতিমানস, অতিমানসৰ পৰা সচ্চিদানন্দৰ ক্ৰমাগত প্ৰকাশ ঘটে। মানৱ চিৰকাল মানৱ হৈ নাথাকে তেওঁৰ লক্ষ্য সৰ্বজ্ঞ, সৰ্বশক্তিসত্ত্বা আৰু আনন্দময় ঈশ্বৰ হোৱা।

আনহাতে মানৱৰ বিৱৰ্তন ঘটে অস্তিত্বৰ পৰা আন এটা স্তৰলৈ। ইয়াকে জৈৱিক ৰূপান্তৰ বোলে। ইয়াত আত্মাই শৰীৰ, জীৱন আৰু মনক নিয়ন্ত্ৰণ কৰে। দ্বিতীয় ৰূপান্তৰ ঘটে আত্মাৰ আধ্যাত্মিক প্ৰকাশত; তেতিয়া মানৱ অধিক শক্তিশালী, কৰুণাময় আৰু উচ্চ চৈতন্য সম্পন্ন হয়। ক্ৰমে উচ্চতৰ মন, আলৌকিক মন আৰু অতি মানস মানৱ চেতনাত প্ৰকাশ পাব। এই অৱস্থাত মানৱৰ সকলো দিশ আধ্যাত্মিকতাত পৰিণত হৈ সচ্চিদানন্দৰ লগত অভিন্ন হয়। আধ্যাত্মিক ব্যক্তি এজনৰ তৃতীয় ৰূপান্তৰ ঘটে অতি মানস আৰু ঐশ্বৰিক সত্ত্বাত। ইয়াত ঐশ্বৰিকতা শক্তি সত্য আৰু আনন্দময় হৈ পৰে।

বিশ্বৰ বিবৰ্তন প্ৰক্ৰিয়া নিয়ত আৰোহণ মুখী। ক্ৰমবিকাশ স্তৰত এতিয়াও আধ্যাত্মিক আৰু অতিমানস স্তৰৰ সৃষ্টি হোৱা নাই। যেতিয়া মানৱ জাতিয়ে সকলো দিশতে আধ্যাত্মিক চেতনা লাভ কৰিব, তেতিয়া মানৱে পূৰ্ণ ঐশ্বৰিক সত্ত্বালৈ উন্নীত হ'ব। যেতিয়ালৈকে মানৱ এই পৰ্যায় প্ৰাপ্ত নহয় বিবৰ্তন চলি থাকিব।

অৰবিন্দৰ মতে ঐশ্বৰিক মানৱেই অতি মানৱ। তেওঁলোক সৰ্বজ্ঞ, সৰ্বশক্তিমান আৰু ঈশ্বৰৰ লগত অভিন্ন আৰু বহুধা চেতনাৰ লগত অভিন্ন প্ৰাকৃতিক শক্তি দিব্য শক্তিলৈ ৰূপান্তৰিত হয় আৰু প্ৰকৃতিয়ে উৰ্দ্ধমুখে গতি কৰি ঈশ্বৰত মিলিত হয়।

অৰবিন্দৰ ক্ৰম বিকাশতত্ত্ব আধ্যাত্মিক আৰু সৃষ্টি ধৰ্মী। তেওঁ সৃষ্টি আৰু বিৱৰ্তনৰ পাৰ্থক্যও স্বীকাৰ কৰিছে। সৃষ্টিত ঈশ্বৰে জড় বস্তুৰ ৰূপ গ্ৰহণ কৰে; বিবৰ্তনত উচ্চ আধ্যাত্মিক আৰু দিব্য সত্ত্বাৰ প্ৰকাশ ঘটে। সৃষ্টিত জড় পদাৰ্থত সত্ত্বা অন্তনিহিত হৈ থাকে, বিবৰ্তনত দিব্য নীতিৰ ক্ৰমাগত উচ্চতৰ প্ৰকাশ ঘটে। সৃষ্টিত অতিমানসৰ নিম্ন সত্ত্বালৈ অৱতৰণ ঘটে। সৃষ্টি হোৱাৰ পাছতহে বিবৰ্তন আৰু বিকাশ ঘটে।

বিবৰ্তন প্ৰক্ৰিয়াত জড়ত প্ৰাণৰ অৱিৰ্ভাব হয়। তেতিয়া দেহত চেতনাৰ উদ্ভৱ হয়। উদ্ভিদ আৰু জীৱ দেহতো প্ৰাণ আৰু চেতনা থাকে। অৱশ্যে মানৱ চৈতন্য উচ্চ পৰ্য্যায়ৰ।

অৰবিন্দৰ ক্ৰমবিকাশবাদ হেগেল, বাৰ্গছ আৰু আলেক-জেণ্ডাৰৰ ক্ৰমবিকাশ তত্ত্বতকৈ পৃথক। তেওঁৰ মতবাদ সামগ্ৰিক, সমন্বয়মূলক আৰু অধ্যাত্মিক। অৰবিন্দৰ ক্ৰমবিকাশবাদত কেইটামান বৈশিষ্ট্য পৰিলক্ষিত হয়।

(ক) অৰবিন্দৰ ক্ৰমবিকাশবাদ ঐশ্বৰিক আৰু ধীৰ গতিৰ।

(খ) সৃষ্টি আৰু বিবৰ্তন দুটা ভিন্ন প্ৰক্ৰিয়া;

(গ) বিবৰ্তন, আৰোহণ আৰু অৱৰোহণ সমন্বিত দ্বৈত প্ৰক্ৰিয়া

(ঘ) বিৱৰ্তন ৰূপান্তৰ ধৰ্মীয়।

(ঙ) অৰবিন্দৰ ক্ৰমবিকাশবাদ সৃষ্টিমূলক আৰু তাৎক্ষণিক; হেগেলৰ দৰে ধাৰাবাহিক, যুক্তিমূলক আৰু ভাৱবাদী নহয়।

অৰবিন্দৰ ক্ৰমবিকাশৰ তিনিটা পৰ্যায় হ'ল—

১. মানসিক পৰ্যায়

২. আধ্যাত্মিক পৰ্যায়

৩. অতিমানস পৰ্যায়।

অতিমানস বিশ্বৰ সৃষ্টিকৰ্তা বা ঐশ্বৰিক মাতৃ, য'ৰ পৰা বিবৰ্তন আৰম্ভ হয় আৰু অন্ত হয়। বিবৰ্তনৰ উদ্দেশ্য সমগ্ৰ বিশ্বৰ ঐশ্বৰিক শক্তি লাভ কৰা আৰু ঈশ্বৰত মিলিত হোৱা।

শ্ৰীঅৰবিন্দৰ ক্ৰমবিকাশ বাদ তেওঁৰ ৰহস্যবাদ আৰু প্ৰজ্ঞাত্মক উপলব্ধিৰ ওপৰত প্ৰতিষ্ঠিত।